# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-04-2024

**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্বাক্বেৰেলী ছাইমণ্ডছ, QS নামৰ ব্ৰিটেইনৰ প্ৰতিষ্ঠান টোৰ উচ্চ শিক্ষা সম্পৰ্কীয় শেহতীয়া বিশ্ব বাছনি তালিকাত ভাৰতৰ প্ৰদৰ্শন উৎসাহজনক বুলি অভিহিত কৰিছে।

২। ৰাজ্যত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩। বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত প্ৰবল বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

৪। বিদেশ মন্ত্ৰালয়ে পৰ্টুগালৰ নাগৰিকত্ব লাভ কৰাৰ পাছত ভাৰতীয় পাৰপত্ৰ বাতিল কৰা গোৱা, দমন আৰু ডিউৰ ব্যক্তিসকললৈ প্ৰত্যাহাৰ নিৰ্দেশ জাৰি কৰিবলৈ পাৰপত্ৰ বিষয়াসকলক নিৰ্দেশনা দিছে।

আৰু

৫। চেন্নাই ছুপাৰ কিংছ আজি চেন্নাইত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক্বাক্বেৰেলী ছাইমণ্ডছ, QS নামৰ ব্ৰিটেইনৰ প্ৰতিষ্ঠান টোৰ উচ্চ শিক্ষা সম্পৰ্কীয় শেহতীয়া বিশ্ব বাছনি তালিকাত ভাৰতৰ প্ৰদৰ্শন উৎসাহজনক বুলি অভিহিত কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে দেশৰ যুৱ শক্তিৰ হিতাৰ্থে ভৱিষ্যতে গুণগত শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হ'ব। চৰকাৰে গৱেষণা, শিকণ আৰু উদ্ভাৱনৰ ব্যাপক গুৰুত্ব আৰোপ কৰিছে বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে লগতে QS ৰ মুখ্য কাৰ্যবাহী বিষয়া নুন্‌জিঅ' ক্বাক্বেৰেলীক সাক্ষাৎ কৰে। শ্ৰী ক্বাক্বেৰেলীয়ে পৰৱৰ্তী কেইটামান সপ্তাহৰ ভিতৰত প্ৰতিষ্ঠানটোৱে বিষয় অনুসৰি QS বিশ্ব বিশ্ববিদ্যালয় বাছনি তালিকাত একাংশ ফলাফল ভগাই ল'ব বুলি ঘোষণা কৰে। তেওঁ কয় যে চলিত বৰ্ষত G20 ৰাষ্ট্ৰসমূহৰ ভিতৰত ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ প্ৰদৰ্শন সবাতোকৈ অধিক উন্নত হৈছে আৰু এই বিশ্ববিদ্যালয়সমূহ বিশ্বৰ আটাইতকৈ দ্ৰুত সম্প্ৰসাৰিত গৱেষণা কেন্দ্ৰসমূহৰ অন্যতম ৰূপে পৰিগণিত হৈছে।

০০০০০০০

ৰাজ্যত ২৬ এপ্ৰিলত লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও লোকসভা সমষ্টিত ভোটদাতাসকলে ভোটাধিকাৰ সাব্যস্ত কৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান কাইলৈ অন্ত পৰিব। ইয়াৰ সমান্তৰালকৈ ৰাজ্যত তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও প্ৰচাৰ অভিযান অব্যাহত আছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও লোকসভা সমষ্টিৰ অধীনৰ ৰূপহীত বিজয় সংকল্প সভাক সম্বোধন কৰি কয় যে অসমৰ ১৮ লাখ পৰিয়ালে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত বাসগৃহ লাভ কৰিছে। শ্ৰী শৰ্মাই লগতে বিনামূলীয়া ৰেচন প্ৰদান ব্যৱস্থাৰ ম্যাদ ৫ বছৰলৈ বৃদ্ধি কৰা বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী

সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাই দুখীয়া পৰিয়ালসমূহৰ বাবে বিনামূলীয়া বিদ্যুৎ সুনিশ্চিত কৰিব বুলি প্ৰকাশ কৰে। আনহাতে, নগাঁৱৰ চামগুৰিৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে চৰকাৰী চাকৰি লাভ নকৰা শিক্ষিত নিবনুৱাসকলক ২ লাখ টকাকৈ প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি দৰং-ওদালগুৰি সমষ্টিৰ অন্তৰ্গত নাগ্ৰীজুলিত হ'বলগীয়া এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ আগমনক লৈ মিত্ৰজোঁট বিজেপি, অসম গণ পৰিষদ আৰু ইউ পি পি এলৰ নেতা কৰ্মীসকলে ব্যাপক প্ৰস্তুতি চলাইছে।

বৰাকতো তাৰকা প্ৰচাৰকৰ ভিৰ পৰিলক্ষিত হৈছে। আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰিমগঞ্জ লোকসভা সমষ্টিৰ প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ প্ৰচাৰ চলাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দক্ষিণ কৰিমগঞ্জৰ সুপ্ৰকান্দি অঞ্চলত এখন বিশাল জনসভাত অংশগ্ৰহণ কৰিব।

ইপিনে, নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে আজি মৰিগাঁৱত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

oooooooo

দেশৰ ১২ খন ৰাজ্যৰ ৮৮টা সমষ্টিত ২৬ এপ্ৰিলত দ্বিতীয় পৰ্যায়ত লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত সামগ্ৰীকভাৱে এহেজাৰ ১৯৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। এই পৰ্যায়ৰ উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত আছে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধী, কংগ্ৰেছ নেতা ভূপেশ বাঘেল, জনতা দল এছৰ নেতা তথা কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এইচ ডি কুমাৰস্বামী, কংগ্ৰেছ নেতা শশী থাৰুৰ, লোকসভাৰ বিদায়ী অধ্যক্ষ ওম বিৰলা, ৰামায়ণ ধাৰাবাহিকত ৰামৰ চৰিত্ৰত অভিনয় কৰা অৰুণ গোভিল, অভিনেত্ৰী ৰাজনীতিক হেমা মালিনী, কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, কেন্দ্ৰীয় মন্ত্ৰী মহেশ শৰ্মা আদি। ৰাহুল গান্ধীয়ে কেৰালাৰ ৱায়ানাড় সমষ্টিত একেৰাহে দ্বিতীয়বাৰৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ৰাজস্থানৰ কোটা সমষ্টিত একেৰাহে তৃতীয়বাৰৰ বাবে বিজেপি প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হৈছে। পূৰ্বৰ দুয়োটা নিৰ্বাচনতে জয়ী হৈ সাংসদ হোৱা হেমা মালিনীয়ে এইবাৰ পুনৰ মথুৰা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে। কেৰালাৰ তিৰুৱন্তনপুৰমত কংগ্ৰেছ নেতা শশী থাৰুৰে প্ৰতিদ্বন্দ্বিতা কৰিছে।

oooooooo

অসমত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। এই পৰ্যায়ত ৪ খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কালি ৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তত কোকৰাঝাৰ সংসদীয় সমষ্টিৰ পৰা ১২ গৰাকী, বৰপেটাৰ পৰা ১৪ গৰাকী, ধুবুৰীৰ পৰা ১৩ গৰাকী আৰু গুৱাহাটীৰ পৰা মুঠ ৮ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব।

এন ডি এ আৰু কংগ্ৰেছ দলে আটাইকেইখন আসনতে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। গুৱাহাটী আসনখনৰ বাবে বিজেপি আৰু কংগ্ৰেছ দুয়োটা দলেই মহিলা প্ৰাৰ্থীক প্ৰক্ষেপ কৰিছে। বিজেপিৰ মিত্ৰজোঁট অসম গণ পৰিষদে বৰপেটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতাৰ কৰাৰ বিপৰীতে ইউ পি পি এলে কোকৰাঝাৰত নিজৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। বড়োলেণ্ড পিপলছ ফ্ৰণ্ট আৰু চি পি আই এম দলেও অসমত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে।

oooooooo

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ বৃহস্পতিবাৰে অন্ত পৰিব। শুকুৰবাৰে মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ২৯ এপ্ৰিললৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। চতুৰ্থ পৰ্যায়ত উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, ঝাৰখণ্ড, ওড়িশা, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু জন্মু-কাশ্মীৰৰ ৯৬ টা সংসদীয় সমষ্টিৰ বাবে ১৩ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

ooooooo

বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত প্ৰবল  বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, মণিপুৰ আৰু মিজোৰামত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে লগতে পূব ভাৰতৰ পৰৱৰ্তী ৪ দিন পৰ্যন্ত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে আৰু ন ন অঞ্চল গ্ৰীষ্ম প্ৰৱাহৰ কবলত পৰিব পাৰে বুলি সকিয়াই দিছে। এই সময়ছোৱাত পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চলসমূহত প্ৰবল গ্ৰীষ্ম প্ৰৱাহ বলিব পাৰে বুলিও বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। বিভাগটোৱে কৰ্ণাটকৰ ভিতৰুৱা অঞ্চল, ওড়িশা, পূব উত্তৰ প্ৰদেশ, পশ্চিম উত্তৰ প্ৰদেশ, বিহাৰ আৰু ঝাৰখণ্ডৰ ঠাই বিশেষ গ্ৰীষ্ম প্ৰৱাহৰ কবলত পৰিব পাৰে বুলি আগলি বতৰা দিছে। ওড়িশা, পশ্চিমবংগৰ গংগা নৈৰ কাষৰীয়া অঞ্চল, ৰায়েলচিমা, ঝাৰখণ্ড, বিদৰ্ভ, ছট্টিশগড়, দক্ষিণ-পশ্চিম মধ্যপ্ৰদেশ, তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ উপকুল ভাগত সৰ্বোচ্চ তাপমাত্ৰা ৪২ ৰ পৰা ৪৫ ডিগ্ৰী ছেলছিয়াছলৈ বৃদ্ধি পাব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হনুমান জয়ন্তী উপলক্ষে দেশবাসীক ওলগ জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে ভগৱান হনুমানক স্মৰণ কৰি কৈছে যে সকলো ৰাম ভক্তৰ বাবে পৱন পুত্ৰৰ নিষ্ঠা  সদায় অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব। তেওঁ লগতে ভগৱান হনুমানৰ আশিষে বিকশিত ভাৰতৰ সংকল্পত নতুন মাত্ৰা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooooo

বিদেশ মন্ত্ৰালয়ে পৰ্টুগালৰ নাগৰিকত্ব লাভ কৰাৰ পাছত ভাৰতীয় পাৰপত্ৰ বাতিল কৰা গোৱা, দমন আৰু ডিউৰ ব্যক্তিসকললৈ প্ৰত্যাহাৰ নিৰ্দেশ জাৰি কৰিবলৈ পাৰপত্ৰ বিষয়াসকলক নিৰ্দেশনা দিছে। গৃহ মন্ত্ৰালয়ে তদানীন্তন পৰ্টুগালৰ এলেকাৰ পৰা ভাৰতলৈ অহা ভাৰতীয় নাগৰিকৰ ক্ষেত্ৰত সমৰ্পণ প্ৰমাণপত্ৰৰ পৰিৱৰ্তে বিকল্প নথি হিচাপে প্ৰত্যাহাৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ ফলত সমৰ্পণ প্ৰমাণপত্ৰৰ আৱশ্যকতাৰ পৰিপ্ৰেক্ষিতত অ' চি আই কাৰ্ডৰ বাবে ইচ্ছুক ব্যক্তিসকল সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ ওৰ পৰিব বুলি আশা কৰা হৈছে।

ooooooo

চেন্নাই ছুপাৰ কিংছ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব। খেলখনত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ইপিনে, প্ৰতিযোগিতাত জয়পুৰৰ ছৱাই মান সিং ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ৯ উইকেটত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ১৮০ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৪টা বলত এটা উইকেট হেৰুৱাই ১৮৩ ৰান সংগ্ৰহ কৰে।

ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৯ উইকেটৰ বিনিময়ত ১৭৯ কৰে। ৰাজস্থান ৰয়েলছে বৰ্তমানলৈকে ৮খন খেলৰ ৭খনত জয়লাভ কৰি ১৪ পইণ্টৰে তালিকাৰ শীৰ্ষত আছে।

ooooooo

**সমাপ্ত**